# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-01-2025
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*

**- - - - - - - - - - - - - -**

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি লোকসেৱা ভৱনত আয়োজিত এখন বৈঠকত গুৱাহাটী আৰু ডিব্ৰুগড়ত সমাগত গণৰাজ্য দিৱস উদযাপনৰ প্ৰস্তুতিৰ বুজ লয়। বৈঠকত মুখ্যমন্ত্ৰীয়ে ৰাজ্যৰ ৩৯ খন সমজিলাতো এইবাৰ গণৰাজ্য দিৱসৰ কাৰ্যসূচী পালন কৰাৰ বাবে নিৰ্দেশ দিয়ে। জিলা ভিত্তিত আয়োজিত কাৰ্যসূচীৰ দৰে যাতে সম জিলাকেইখনত গণৰাজ্য দিৱসত আৰক্ষীৰ পেৰেড অনুষ্ঠিত হয় তাৰ বাবে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে নিৰ্দেশ দিয়ে। ইয়াৰ বাবে প্ৰয়োজনীয় পুঁজি মোকলাই দিবলৈ সাধাৰণ প্ৰশাসন বিভাগক নিৰ্দেশ দিয়া হয়। সমাগত গণৰাজ্য দিৱস উপলক্ষে সকলো প্ৰান্ততে স্বচ্ছতা অভিযান আৰম্ভ কৰিবলৈ মুখ্যমন্ত্ৰীয়ে জিলা প্ৰশাসনসমূহক নিৰ্দেশ দিয়ে। গণৰাজ্য দিৱসৰ প্ৰাক্‌ক্ষণত ২৫ জানুৱাৰীৰ আবেলি গুৱাহাটী আৰু ডিব্ৰুগড়ত অসম আৰক্ষীয়ে **ৰোডপাষ্ট** কাৰ্যসূচী গ্ৰহণ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ শৰ্মাই প্ৰকাশ কৰে। তেওঁ লগতে অন্যান্য জিলা সদৰসমূহতো এনে কাৰ্যসূচী গ্ৰহণ কৰিবলৈ আহ্বান জনায়। এইবেলি গুৱাহাটীৰ খানাপাৰাৰ অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয় খেলপথাৰত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত ৰাজ্যপালন লক্ষ্মণ প্ৰসাদ আচাৰ্যই ত্ৰিৰংগ পতাকা উত্তোলন কৰিব। ডিব্ৰুগড়ত গণৰাজ্য দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পতাকা উত্তোলন কৰিব।

০০০০০

সুন্দৰৰ পূজাৰী ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালাৰ ৭৫ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যজুৰি শিল্পী দিৱস হিচাপে পালন কৰা হৈছে। ১৯৫১ চনৰ ১৭ জানুৱাৰীত দেহাৱসান ঘটা সব্যসাচী শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনাই প্ৰতিবছৰে আজিৰ দিনটো শিল্পী দিৱস হিচাপে পালন কৰি অহা হৈছে। ৰাজ্যৰ বিভিন্ন প্ৰান্তত আজি শিল্পী দিৱস উপলক্ষে ৰূপকোঁৱৰৰ সোঁৱৰণত ভালেমান কাৰ্যসূচী গ্ৰহণ কৰা হয়। অসম চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত আৰু গোলাঘাট জিলা প্ৰশাসনৰ সহযোগত গোলাঘাটত এই দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বিশিষ্ট সংগীত শিল্পী ড° অনিমা চৌধুৰী আৰু মুকুল ৰাভাক চলিত বৰ্ষৰ শিল্পী বঁটা প্ৰদান কৰা হয়। বিগত বৰ্ষৰ সন্মানীয় নটসূৰ্য্য ফণী শৰ্মা বঁটা বিশিষ্ট অভিনেত্ৰী ৰেবা ফুকনলৈ, সাহিত্যচাৰ্য অতুল চন্দ্ৰ হাজৰিকা বঁটা প্ৰবীন অভিনেত্ৰী হীৰা নেওগলৈ আৰু জননেতা ভীমবৰ দেউৰী বঁটা বিশিষ্ট সমাজকৰ্মী জলেশ্বৰ ব্ৰহ্মলৈ আগবঢ়োৱা হয়। এই অনুষ্ঠানতে ৰাজ্য চৰকাৰে ইতিমধ্যে ঘোষণা কৰা ১১ গৰাকী শিল্পীক শিল্পী পেঞ্চন প্ৰদান কৰা হয়।

অনুষ্ঠানত অংশগ্ৰহণ কৰি বিত্তমন্ত্ৰী অজন্তা নেওগ, কৃষিমন্ত্ৰী অতুল বৰা আৰু বিধায়ক বিশ্বজিৎ ফুকনে ৰূপকোঁৱৰৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰাৰ লগতে বন্তি প্ৰজ্বলন কৰি শিল্পীগৰাকীৰ প্ৰতি শ্ৰদ্ধা জনায়। সাংস্কৃতিক

পৰিক্ৰমা বিভাগৰ সঞ্চালক ৰাহুল চন্দ্ৰ দাসে সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানত চলচ্চিত্ৰ ইতিহাসবিদ পৰিচালক পাৰ্থজিৎ বৰুৱা নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থাকে।

শিৱসাগৰ নগৰৰ যুৱদল প্ৰেক্ষাগৃহতো আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস উদযাপন কৰা হয়। অসম সংগীত পৰিৱেশনেৰে এই কাৰ্যসূচীৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিশিষ্ট নাট্যকাৰ প্ৰশান্ত প্ৰতীম শৰ্মাই জ্যোতিপ্ৰসাদ আগৰৱালাৰ জীৱন আৰু কৃতিত্বৰ বিষয়ত আলোকপাত কৰে। শিল্পীদিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত আয়োজন কৰা জ্যোতিসংগীত প্ৰতিযোগিতাত বহু সংখ্যক প্ৰতিযোগিয়ে অংশগ্ৰহণ কৰে।

শোণিতপুৰ জিলাৰ তেজপুৰৰ কমলা নগৰৰ শিল্পীগৰাকীৰ সমাধিস্থলী আৰু ৰূপকোঁৱৰৰ পৈত্ৰিক গৃহ জ্যোতি ভাৰতীত আজি দিনজোৰা কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। মাজুলীৰ বালিচাপৰি মিলিত কৃষ্টি সংঘৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে শিল্পী দিৱস পালন কৰা হয়। অনুষ্ঠানৰ অংশ হিচাপে জ্যোতিসংগীত আৰু সৃষ্টিশীল নৃত্য প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। জিলাখনৰ কমাৰগাঁও ৰূপালী যৱসংঘৰ উদ্যোগত আজি শিল্পী দিৱস উপলক্ষে জিলা ভিত্তিক জ্যোতিসংগীত প্ৰতিযোগিতা অনুষ্ঠিত হয়।

ooooo

ৰাজ্যৰ ১৪ খন জিলাৰ ১৫ হাজাৰ ৬৬৩ খন বিদ্যালয়ত আজিৰে পৰা দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈছে। দ্বিতীয় পৰ্যায়ত ১৪ লাখ ১৪ হাজাৰ ৯৩২ গৰাকী ছাত্ৰ-ছাত্ৰীক সামৰি লোৱা হৈছে। গুণোৎসৱৰ আজি স্ব-মূল্যায়ন অনুষ্ঠিত হয়। ২০ জানুৱাৰীত মন্ত্ৰী, সাংসদ, বিধায়ক, মুখ্য কাৰ্যবাহী বিষয়া, কাৰ্যবাহী সদস্যৰ লগতে ৰাজ্য চৰকাৰৰ প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ বিষয়ৰ দ্বাৰা বহিঃমূল্যায়ন কৰা হ'ব। উল্লেখযোগ্য যে, দ্বিতীয় পৰ্যায়ৰ গুণোৎসৱ বাক্সা, চৰাইদেউ, চিৰাং, ধেমাজী, ধুবুৰী, গোলাঘাট, হাইলাকান্দি, হোজাই, যোৰহাট, কামৰূপ মহানগৰ, শোণিতপুৰ, তামুলপুৰ, তিনিচুকীয়া আৰু পশ্চিম কাৰ্বি আংলং জিলাত অনুষ্ঠিত হৈছে। ইপিনে, এইবাৰৰ গুণোৎসৱত শিক্ষাৰ্থীৰ ইউনিফৰ্মৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হ'ব বুলি শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে জানিবলৈ দিয়ে। শিক্ষামন্ত্ৰীগৰাকীয়ে কয়, যে গুণোৎসৱত ইউনিফৰ্মৰ মূল্যাংকন কৰা হ'ব। শিক্ষকৰ বদলিকৰণ সন্দৰ্ভতো তেওঁ মন্তব্য কৰে। তেওঁ কয়, যে দ্বিতীয় পৰ্যায়ৰ শিক্ষকৰ বদলিকৰণ গ্ৰীষ্মবন্ধৰ পূৰ্বে কৰা হ'ব। ইয়াৰ বাবে দুই এদিনৰ ভিতৰত পোৰ্টেল মুকলি কৰা হ'ব বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। প্ৰথম পৰ্যায়ত পোৰ্টেলৰ জৰিয়তে আবেদন কৰা ৩৬ হাজাৰ শিক্ষকৰ বদলি প্ৰক্ৰিয়া সম্পন্ন হৈছে।

ooooo

গোলাঘাট জিলাৰ মেৰাপানীৰ ফৰেষ্ট ব্লকত আজি আৰক্ষী আৰু চি আৰ পি এফে অভিযান চলাই এজন লোকৰ বাসগৃহৰ পৰা প্ৰায় ১৬ হাজাৰ নিচাযুক্ত টেবলেট জব্দ কৰিছে। জব্দকৃত নিচাযুক্ত সামগ্ৰীখিনিৰ বজাৰ মূল্য ৫ লাখ টকাৰো অধিক হ'ব বুলি আৰক্ষী সূত্ৰই প্ৰকাশ কৰিছে। নিচাযুক্ত সামগ্ৰীখিনি লুকুৱাই ৰখা চামাদ আলী নামৰ ব্যৱসায়ীজনক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে।

ooooo

সমাপ্ত